স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

বুধবাৰ, ১৬ নৱেম্বৰ ২০১৬

# পইচাৰ বৰ দাম পইচাৰ নল'বি নাম...



রাজনৈতিক বিশ্লেষণ

ড° অৰূপজ্যোতি চৌধুৰী

**মই** তেতিয়া স্কুলত। গৰমৰ বন্ধত এ এছ টি চিৰ ৰঙা বাছত উঠি আমি প্ৰায়েই ডিব্ৰুগড়লৈ যাওঁ। মা, দেউতা, ককাইদেউ, বাইদেউ সকলো। মাহঁতৰ ঘৰ ডিব্ৰুগড়ৰ আমোলাপট্টিত। সেই কেইদিন পঢ়িব নালাগে। কিমান যে স্ফূৰ্তি। আমাৰ উলাহ দেখি আবৃত্তি কৰিবলৈ দেউতাই কবিতা লিখি দিছিল— ইমান ৰঙৰ ইমান ধেমালিৰ নাই আদি, নাই শেষ, এইখন মোৰ দেশ।

দিনত প্ৰায়েই আমি খলিহামাৰীলৈ যাওঁ। ডিব্ৰুগড়ৰ খলিহামাৰীত মোৰ মাহীৰ ঘৰ। জানীমাহী। মাহীয়ে আমাক আনন্দৰ গান শিকায়। আমি চিঞৰি চিঞৰি গাওঁ—

'পইচাৰ বৰ দাম/পইচাৰ নল'বি নাম/আজিহে চিনেমা চাম/চাম দেই দেউতা/আজিহে চিনেমা চাম।'

আজি গানটোলৈ বৰকৈ মনত পৰিছে। দৰাচলতে যোৱা সপ্তাহটোত যেন পৃথিৱীৰ সকলোতে পইচাৰ সাধু। আমেৰিকাত, ভাৰতত, যেন সকলোতে। আমেৰিকাত ধনকুবেৰ ড'লাল্ড ট্ৰাম্পে পৰাভূত কৰিলে ৰাজনৈতিক অভিজ্ঞতাৰে পুষ্ট হিলাৰী ক্লিণ্টনক। ভাৰততো এতিয়া কেৱল পইচাৰ কথা। বাটে-ঘাটে, অলিয়ে-গলিয়ে, কৰ্প'ৰেটৰ অফিচত, চৰকাৰী কাৰ্যালয়ত সকলোতে। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে যোৱা ৮ নৱেম্বৰত ঘোষণা কৰিলে যে সম্প্ৰতি চলি থকা ৫০০ আৰু ১০০০ টকীয়া নোট সেই ৰাতি ১২ বজাৰ পৰা নিষিদ্ধ। দেশজুৰি মানুহৰ মাজত খন্তেকতে বাতৰিটো বিয়পি পৰিল। কোনোবা গ'ল এটিএমলৈ, কোনোবা ওলাই আহিল ৰাজআলিলৈ, চুবুৰিয়ে চুবুৰিয়ে আলোচনা চলিল। আগতে যেতিয়া ডাঙৰ মূল্যৰ নোটৰ প্ৰচলন বন্ধ হৈছিল, তাৰ প্ৰভাৱ যেন ইমানকৈ হোৱা নাছিল। এইবাৰ পিছে কথাবোৰ অলপ সুকীয়া। প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই তেখেতৰ উদাত্ত ভাষণেৰে ক'লা ধন, দুৰ্নীতিৰ বিৰুদ্ধে যুঁজখনৰ মাত্ৰা যেন বঢ়াই তুলিলে। জনসাধাৰণক সম্বোধন কৰি উদাত্ত ভাষণ দিলে। দেশৰ মানুহ সমভাগী হ'ল। কষ্ট স্বীকাৰ কৰিবলৈ সাজু হ'ল। যোৱা সপ্তাহ দিন ধৰি সাধাৰণ জনতাই দুৰ্ভোগ ভুগিল। পিছে ক'লা ধন আৰু দুৰ্নীতিৰ বিৰুদ্ধে যুঁজখনৰ সঁচা আৰম্ভণি হ'লনে? প্ৰধানমন্ত্ৰীয়ে তেখেতৰ ভাষণত বিভিন্ন ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰিছিল। দেশৰ জনসাধাৰণে কিদৰে তেওঁলোকৰ অচল টকা বেংকলৈ গৈ সলাব পাৰিব, বেংকত জমা দিব পাৰিব বা বেংকৰ পৰা উলিয়াব পাৰিব সেই সকলোবোৰ কথা প্ৰধানমন্ত্ৰীয়ে বিতংভাৱে বাখ্যা কৰিছিল। নতুন ২০০০ টকীয়া নোট প্ৰচলনৰ কথা ঘোষণা কৰিছিল। প্ৰধানমন্ত্ৰীৰ ভাষণ আৱেগিক আছিল। ক'লা ধন, দুৰ্নীতি, সন্ত্ৰাসবাদৰ বিৰুদ্ধে তেওঁৰ যুদ্ধখনক এক নতুন গতি প্ৰদান কৰিছিল তেওঁৰ ভাষণত সন্নিৱিষ্ট কৰা সিদ্ধান্তসমূহে। ভাৰতবৰ্ষত বাৰু এনে কাৰ্যৰ নজিৰ আছেনে?

চলি থকা নোট বন্ধ কৰাৰ ইতিহাস ভাৰতবৰ্ষত আছে। ভাৰত চৰকাৰে সময়ে সময়ে এনে ঘোষণা কৰা দেখা গৈছিল। স্বৰাজোত্তৰ ভাৰতবৰ্ষত হোৱা এনে ঘোষণাসমূহৰ এক চমু ইতিহাস ইয়াত আমি দাঙি ধৰিব খুজিছোঁ। স্বাধীনতাৰ ঠিক আগে আগে অৰ্থাৎ ১৯৪৬ চনৰ জানুৱাৰী মাহত ৰিজাৰ্ভ বেংকে ১০০০ টকীয়া আৰু ১০,০০০ টকীয়া নোটৰ প্ৰচলন বন্ধ কৰিছিল। ইয়াৰে প্ৰায় ৮ বছৰ পাছত অৰ্থাৎ ১৯৫৪ চনত ১০,০০০ টকীয়া আৰু ৫,০০০ টকীয়া নোটৰ পুনৰ প্ৰচলন কৰা হয়। ১৯৭৭ চনত যেতিয়া পোনপ্ৰথমবাৰৰ কাৰণে কেন্দ্ৰত মোৰাৰজী দেশাইৰ প্ৰধানমন্ত্ৰিত্বত অংকগ্ৰেছী জনতা চৰকাৰ গঠিত হয়, ডাঙৰ মূল্যৰ নোট বন্ধ কৰাৰ বিষয়টোৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰি এনে নোটবোৰৰ প্ৰচলন আকৌ বন্ধ কৰি দিয়ে। সেই সময়ত জনতা চৰকাৰে হয়তো ভাবিছিল যে পূৰ্বৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হাতত বহু টকা জমা আছিল আৰু মূলতঃ ইন্দিৰা গান্ধীক ৰাজনৈতিকভাৱে মষিমূৰ কৰিবলৈকে চৰকাৰে এনে পদক্ষেপ গ্ৰহণ কৰিছিল বুলি সংবাদ মাধ্যমত বিষয়টো বিশদভাৱে আলোচিত হৈছিল।

**মুদ্ৰা নিষিদ্ধ কৰাৰ পূৰ্বৰ ব্যৱস্থাসমূহৰ প্ৰভাৱ অৰ্থনীতিত কিভাৱে পৰিছিল?**

স্বাধীনতাৰ ঠিক আগে আগে ১৯৪৬ চনত আৰু ১৯৭৮ চনত যেতিয়া জনতা চৰকাৰে প্ৰচলিত ডাঙৰ মুদ্ৰা নিষিদ্ধ কৰিছিল, তাৰ প্ৰভাৱনো অৰ্থনীতিত কেনেকুৱা হৈছিল তাৰে এটা চমু পৰ্যালোচনা এইখিনিতে কৰিব খুজিছোঁ। উল্লেখ্য যে ২০১২ চনত এই সম্পৰ্কীয় এখন প্ৰতিবেদন প্ৰকাশিত হৈছিল। কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ ব'ৰ্ডৰ সভাপতিৰ অধ্যক্ষতাত গঠিত এক ক'লা ধন পৰ্যালোচনা কমিটীয়ে প্ৰকাশ কৰা এই প্ৰতিবেদনত কোৱা হৈছে যে ১৯৪৬ আৰু ১৯৭৮ চন দুয়োবাৰতে কেৱল ১৫ শতাংশ ডাঙৰ মূল্যৰ নোটৰহে আদান-প্ৰদান হৈছিল আৰু এনে ধনৰ ৮৫ শতাংশ নোটেই লুকাই থাকিল। এই প্ৰতিবেদনে ক'লা ধন আৰু দুৰ্নীতি ৰোধ কৰিবৰ বাবে প্ৰচলিত আইনসমূহৰ উপযুক্ত ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিছিল। তাৰ লগতে সময়ে সময়ে গ্ৰহণ কৰিবলগীয়া প্ৰশাসনীয় বিষয়সমূহক চৰকাৰে আওকাণ কৰাৰ বাবেও ক'লা ধনৰ সমস্যাটোৱে অৰ্থনীতিত

প্ৰত্যাহ্বান ৰূপত দেখা দিছিল। এই প্ৰতিবেদনত এই কথাও প্ৰকাশিত হৈছিল যে ক'লা ধনৰ অধিকাংশই বেনামী সম্পত্তিত বিনিয়োগ হৈ থাকে কাৰণে কেৱল ডাঙৰ মূল্যৰ নোটৰ প্ৰচলন বন্ধ কৰি ক'লা ধনৰ সমস্যাটো সমাধান কৰিব পৰা নাযায় বুলি এই প্ৰতিবেদনত প্ৰকাশ পাইছিল।

**প্ৰধানমন্ত্ৰীৰ ঘোষণাৰ প্ৰতি বিশেষজ্ঞসকলৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ?**

প্ৰধানমন্ত্ৰীৰ ঘোষণাক বিশেষজ্ঞসকলে আদৰণি জনাইছে। তেওঁলোকে আঙুলিয়াই দিছে যে যিসকলৰ হাতত ৫০০ টকীয়া বা ১০০০ টকীয়া নোট আছে, তেওঁলোকে ভয় খোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে যদিহে তেওঁলোকে সেই আয়ৰ উৎস সম্বন্ধে ব্যাখ্যা কৰিব পাৰে। ইতিমধ্যে এই বছৰৰ ৩০ ছেপ্টেম্বৰত ভাৰত চৰকাৰৰ 'Income Declaration Scheme'খন শেষ হৈছে। ক'লা ধন থকা লোকসকলে এইখন আঁচনিৰ সুযোগ নিশ্চয়কৈ ল'ব পাৰিলেহেঁতেন। এতিয়া তেওঁলোকৰ বাট চাৰিওফালে বন্ধ হৈ পৰিল। এতিয়া যদি তেওঁলোকে ক'লা ধনৰ কথা ঘোষণা কৰে, তেতিয়া তেওঁলোকে আয়কৰ আৰু জৰিমনাকে ধৰি প্ৰায় ৬০ শতাংশ কৰ দিব লাগিব। Income Declaration Schemeৰ অধীনত তেওঁলোকে কেৱল ৪৫ শতাংশ কৰ দিলেই হ'লহেঁতেন আৰু কোনো প্ৰশ্নৰো উত্তৰ নিদিয়াকৈ হ'লহেঁতেন। এতিয়া পিছে তেওঁলোকে কৰ, জৰিমনা ভৰাৰ উপৰি চৰকাৰী সংশ্লিষ্ট এজেন্সীসমূহৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব লাগিব।

বিশেষজ্ঞসকলে আঙুলিয়াই দিছে যে প্ৰধানমন্ত্ৰীৰ ঘোষণাৰ পাছত স্বাভাৱিকতেই সোণ আৰু সোণৰ অলংকাৰৰ চাহিদা ব্যাপকভাৱে বাঢ়ি যাব। প্ৰধানমন্ত্ৰীৰ ঘোষণাৰ পাছতেই ভাৰতৰ ডাঙৰ ডাঙৰ চহৰবোৰত গোটেই ৰাতি সোণ আৰু সোণৰ অলংকাৰৰ লেনদেন হয়। অৱশ্যে আয়কৰ বিভাগ আৰু অৰ্থনৈতিক অপৰাধ বিভাগে এনে লেনদেনসমূহৰ তথ্যসমূহ ইতিমধ্যে বাজেয়াপ্ত কৰিছে। সেয়েহে তাৰ পাছত এনে লেনদেন ক্ৰমান্বয়ে কমি অহা দেখা গৈছে।

বিশেষজ্ঞসকলৰ একাংশৰ মতে আকৌ আগৰ কেইবাৰৰ দৰে এইবাৰো ক'লা ধনৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাসমূহ সফল নোহোৱাৰ সম্ভাৱনা অধিক। এইসকলৰ মতে ক'লা ধন যাৰ হাতত থাকে তেওঁলোকে খুব কম অংশ এটাহে নগদ ধনৰ ৰূপত ৰাখে। ইতিমধ্যে সেই ক'লা ধন তেওঁলোকে বেনামী সম্পত্তি বা সোণলৈ পৰিৱৰ্তন কৰে। পিছে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই বাৰম্বাৰ ঘোষণা কৰিছে যে চৰকাৰে এইবাৰ বেনামী সম্পত্তিৰ বিষয়টোৰ ওপৰত চকু দিছে আৰু অচিৰেই এনে সম্পত্তিৰ গৰাকীসকলক জবাবদিহি কৰা হ'ব। যদি সঁচাকৈয়ে বেনামী সম্পত্তিৰ গৰাকীসকলক চিনাক্তকৰণ কৰিব পৰা যায়, তেতিয়াহে ক'লা ধনৰ যুঁজখনে সফলতাৰ মুখ দেখা সম্ভৱ হ'ব পাৰে। অন্যথা কেৱল প্ৰচলিত ডাঙৰ মূল্যৰ নোটসমূহ বন্ধ কৰিলেই যে ক'লা ধনৰ প্ৰভাৱ কমি যাব সেই কথা ক'ব নোৱাৰি।

**সমালোচকসকলৰ দৃষ্টিভংগী**

প্ৰধানমন্ত্ৰীৰ ঘোষণাক আকৌ একাংশ লোকে কঠোৰভাৱে সমালোচনা কৰিছে। তেওঁলোকে এই ব্যৱস্থাক 'মোদীৰ চমক' হিচাপে অভিহিত কৰিছে। তেওঁলোকে অভিযোগ কৰিছে যে প্ৰধানমন্ত্ৰীয়ে জানি-শুনিয়েই জনসাধাৰণক এই ব্যৱস্থাখিনিৰ সৈতে এনেভাৱে জড়িত কৰিছে যাতে জনসাধাৰণেও ভাবিব পাৰে এয়া তেওঁলোক আটায়েৰে যুঁজ— ক'লা ধনৰ বিৰুদ্ধে। এইসকলে ক'ব খোজে যে বিজেপিয়ে ইতিমধ্যে এই ব্যৱস্থাৰ ৰাজনৈতিক মুনাফা আদায় কৰাৰ ব্যৱস্থা কৰিছে আৰু বিশেষকৈ উত্তৰ প্ৰদেশ আৰু পঞ্জাবৰ নিৰ্বাচনত মোদী চৰকাৰৰ এই 'সাহসী পদক্ষেপ'ক জনসাধাৰণৰ ওচৰলৈ লৈ যাবলৈ সাজু হৈছে।

মোদী চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে আন এক সমালোচনা হ'ল এয়ে যে যিবোৰ কৰ্প'ৰেট গোষ্ঠী চৰকাৰৰ নিকট সান্নিধ্যত, সেইবোৰে যেন এনে ব্যৱস্থাৰ উমান আগেয়েই পাইছিল সেই বিষয়েও বিভিন্ন মহলত আলোচনা চলিছে।

**ৰাজনৈতিক দলসমূহৰ প্ৰতিক্ৰিয়া**

বেছিভাগ ৰাজনৈতিক দলেই মোদী চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে। কংগ্ৰেছ, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী, মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছ, বহুজন সমাজ পাৰ্টী আদিয়ে এই ব্যৱস্থা মোদীৰ 'চমক' সৃষ্টিৰ বাহিৰে আন একো নহয় বুলি অভিহিত কৰিছে। কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীৰ মতে, আগন্তুক দিনসমূহৰ উত্তৰ প্ৰদেশ আৰু পঞ্জাবৰ বিধানসভাৰ নিৰ্বাচনৰ পটভূমিতে মোদী চৰকাৰে এনে সিদ্ধান্ত লৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ ওপৰতো চৰকাৰক এই ব্যৱস্থাই কোনো প্ৰভাৱ পেলাব নোৱাৰিব বুলিয়েই এইবোৰ দলে বিশ্বাস কৰে। বামপন্থী দলসমূহেও এই সিদ্ধান্তৰ বিৰোধিতা কৰিছে। ক'লা ধন আৰু দুৰ্নীতিৰ বিৰুদ্ধে যুঁজখন কেৱল 'চমক' সৃষ্টিৰে জিকিব নোৱাৰি।

দৰাচলতে মোদী চৰকাৰৰ সিদ্ধান্তই সমাজ, ৰাজনীতি, অৰ্থনীতি সকলোকে উতলা কৰি ৰাখিছে। ছেনছেক্স যোৱা ১১ নৱেম্বৰত ৬৯৯ পইণ্ট নিম্নগামী হৈছে। যোৱা ৯ মাহৰ ভিতৰত এয়া সৰ্বনিম্ন। শ্বেয়াৰ বজাৰৰ এনে প্ৰৱণতা বাৰু আমাৰ আটাইৰে বাবে শুভনে?

**লেখকৰ ফোন : ৯৮৬৪০-৩৮৯৪৬**